# অসম আদিত্য

...গুন, ১৯৪৪ শক ■ মঙলবাৰ,




মেঘালয়ত

ৰিয়ান



তৃতীয় বৰ্গৰ পৰী



# কাঁনৈ কলেজত দুদিনীয়া গ্ৰন্থ প্ৰদৰ্শনী সম্পন্ন

**ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰী ঃ** 'জ্ঞানৰ শক্তি আহৰণ কৰাৰ মূল মাধ্যম হৈছে কিতাপ। কিতাপৰ জৰিয়তে জ্ঞানৰ ভঁৰাল চহকী কৰিব পাৰি।'— কাঁনৈ মহাবিদ্যালয়ত ৯ আৰু ১০ ফেব্ৰুৱাৰীত মহাবিদ্যালয়ৰ অশ্বিনী চৰণ চৌধুৰী কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগত আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, ৰূপায়ণৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত গ্ৰন্থ প্ৰদৰ্শনী অনুষ্ঠানটো উন্মোচন কৰি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰুন্মু গোহাঁইবৰুৱাই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— প্ৰতিগৰাকী শিক্ষকেই গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ আদৰ্শ হ'ব লাগিব। তেওঁ কয়— ভোগৰ সামগ্ৰী কিনাৰ ক্ষেত্ৰত সকলোৱে যিদৰে ধনৰ অভাৱ অনুভৱ নকৰে, ঠিক তেনেদৰে গ্ৰন্থ ক্ৰয়ৰ ক্ষেত্ৰতো ধনৰ নাটনি অনুভৱ কৰাটো উচিত নহয়। মূল প্ৰৱেশ দ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে আদৰি অনা অনুষ্ঠানটোত শিক্ষা সংসদৰ অধ্যক্ষগৰাকীয়ে কয়— কাঁনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ নেতৃত্বত কাঁনৈ মহাবিদ্যালয়ে এই গ্ৰন্থ বিপ্লৱক অন্য দিশলৈ আগুৱাই লৈ যাব। কাঁনৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড০ পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত টেঙাখাট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ সদস্য ড০ কিৰণ হাজৰিকাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানটোত কাঁনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, অ' পি ডি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সুৰেশ দত্ত, কাঁনৈ মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড০ অনন্ত কুমাৰ দত্ত, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ মৃদুল শৰ্মাকে ধৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষগৰাকীয়ে উক্ত দিনাই কাঁনৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত ২০২৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত মানি চলিবলগীয়া নীতি-নিয়মৰ সন্দৰ্ভত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ কেন্দ্ৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত এখন সভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কেন্দ্ৰসমূহৰ ভালেসংখ্যক ভাৰপ্ৰাপ্ত বিষয়া উপস্থিত থাকে।

ডিব্ৰুগড়, ১৩ ফেব্ৰু
প্ৰতিভাৱান কণ্ঠশিল্পী
গীত 'প্ৰেমৰে বেহে
আনুষ্ঠানিকভাৱে মু
দত্তই। কবি বিজু শ
নৃত্যপটিয়সী ৰুবি গ

## ছয় শ্বহী
## নামত বগী
## দলং নামৰ
## দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৩**
ছয় শ্বহীদ ক্ৰমে জী
হনুমান সিংঘানীয়
পোদ্দাৰ, অজয় মেচ,
আৰু গৌৰচান্দ বি
বগীবিল দলঙক না
জনাইছে শ্বহীদ স্মৃতি
ডিব্ৰুগড়ে। সমিতি
বিশ্বনাথ গাৰোদিয়া
অনিল প্ৰসাদ সিং
ডিব্ৰুগড় জিলা উপা
মুখ্যমন্ত্ৰী হিমন্ত বিশ
সন্দৰ্ভত এক স্মাৰক
উত্থাপন কৰিছে এই
যে শ্বহীদ স্মৃতি
ডিব্ৰুগড়ৰ প্ৰাক্তন স
ভীমকান্ত কোঁৱৰে এ
জনাই আহিছিল। বত
এই দাবীৰ প্ৰতি
ডিব্ৰুগড়বাসীৰ সম
প্ৰতি গুৰুত্ব প্ৰদান ব
বগীবিল দলঙ খন
নামত নামকৰ